# অধ্যায় - ১

# জীৱজগত

---

**প্ৰথম গোট**
**অনুশীলনীৰ প্ৰশ্নোত্তৰ**

প্ৰশ্ন ১: জীৱৰ বৰ্গীকৰণ কিয় কৰা হয় ?

উওৰ :- সহজ অৰ্থত জীৱৰ অধ্যয়ন সহজ লাভ্য কৰাৰ কাৰণে বৰ্গীকৰণ কৰা হয় । অৰ্থাৎ সকলো ধৰণৰ জীৱক এটি নিৰ্দিষ্ট নিয়মৰ অধীনত কিছুমান বৰ্গ বা গোটত ভাগ কৰি সজোৱা হয় যাতে জীৱ বিলাকৰ একোটা গোটৰ পাৰস্পৰিক সম্বন্ধ বিচাৰি পোৱা যায় আৰু ইইঁতৰ সহজে চিনাক্ত কৰিব পৰা যায় , সেইবাবে জীৱৰ বৰ্গীকৰণ কৰা হয় ।

প্ৰশ্ন ২: বৰ্গীকৰণ  পদ্ধতিসমূহ মাজে সময়ে কিয় সলনি হৈ থাকে ক ?

উওৰ :- এৰিষ্ট'টলৰ পৰা লিনিয়াছৰ সমসাময়িক বিজ্ঞানীসকলে কেতবোৰ চৰিত্ৰিক বৈশিষ্টৰ কাৰণে জীববোৰৰ মাজত শ্ৰেণীবিভাজন কৰিছিল । কিন্তু অধ্যয়নৰ আগ্ৰগতিৰ লগে লগে কেতবোৰ আসোঁৱাহ তেওঁলোকৰ চকুত ধৰা পৰিছিল । উদাহৰণস্বৰূপে , বহুসংখ্যক জীৱ ওলাইছিল যিবোৰ উদ্ভিদ অথবা প্ৰাণী ৰাজ্যত অন্তৰ্ভুক্ত কৰিব পৰা নগৈছিল । এই খেলিমেলিয়ে  বিজ্ঞালমহলত এক নতুন চিন্তা-চৰ্চাৰ আলোড়ন কৰিলে । সেয়ে আন কছুমান বৈশিষ্ট্য যেনে কোষৰ গঠন , কোষবেৰৰ  গঠন আৰু ধৰ্ম , পৰিপুষ্টি, বাসস্থন , প্ৰজনন বিকাশাত্মক সম্বন্ধ সমূহো বিবেচনাৰ বাবে লোৱা আৰম্ভ হ'ল । ঠিক এনেদৰে বৰ্গীৰণ পদদ্ধতিত হঠাৎ বিশেষ আসোৱাহ পৰিলক্ষিত হ'লে

আকৌ নতুন চিন্তা চৰ্চাৰ মনোনিৱেশ আৰম্ভ হয় । অৰ্থাৎ বৰ্তমান চলি থকা বৰ্গীকৰণ পদ্ধতি সলনি কৰিব লগা হয় ।

প্ৰশ্ন ৩: তুমি প্ৰায়ে লগ পোৱা মানুহবোৰৰ শেণী বিভাজন কৰিবলৈ কি কি নিৰ্ণায়ক  বাচনি কৰিবা ?

উওৰ :- (ক) আকাৰ , (খ) বৰণ  আৰু (গ) চুলি ।

প্ৰশ্ন ৪: ব্যক্তি বিশেষ আৰু জনসংখ্যা চিনাক্ত কাৰণৰ পৰা আমি কি কি শিকিব পাৰো ?

উওৰ :- সংগ্ৰাময় পদ্ধতিৰে যে প্ৰত্যেক জীৱৰ মাজত এক ক্ৰমবিকাশৰ সূচনা হৈছে ; সেয়া শিকিব পাৰো ।

প্ৰশ্ন ৫: তলত আমাৰ বৈজ্ঞানিক নাম উল্লেখ কৰা হ'ল । শুদ্ধ উওৰটো চিনাক্ত কৰা ।

(¡) Mangifera indica

(¡¡) Mangifera indica

উওৰ :- (¡¡) Mangifera indica .

প্ৰশ্ন ৬: টক্সনৰ সূত্ৰ লিখা । বৰ্গীকৰণৰ হায়াৰৰ্কিৰ বিভিন্ন স্তৰত থকা টেক্সনবোৰৰ উদাহৰণ দিয়া ?

উওৰ :- এক নিৰ্দিষ্ট নীতি নিয়ম মানি জীৱ সমূহক এক  বৰ্গানুক্ৰমত সজোৱা হৈছে । এই  বৰ্গানুক্ৰমসমূহ হ'ল যথাক্ৰমে ৰাজ্য , উপৰাজ্য , পৰ্ব , গোত্ৰ , গণ , আৰু প্ৰজাতি । এই গোটবোৰৰ একো  একোটাক টেক্সন বোলে ।

উদাহৰণবোৰ  হ'ল -

| টেক্সন | উদাহৰণ |
|---|---|
| (ক) ৰাজ্য | উদ্ভিদ ৰাজ্য,প্ৰাণীৰাজ্য |
| (খ) পৰ্ব বা বিভাগ | গুপ্তবীজী ,নগ্নবীজী |
| (গ) শ্ৰেণী | স্তন্যপায়ী,দ্বিবীজত্ৰী |
| (ঘ) বৰ্গ | প্ৰাইমেটচ,ছেপিনডেলিছ |
| (ঙ) গোত্ৰ | হ'মিডি,এনাকাৰ্ডিয়েচি |
| (চ) গন | হ'ম' , মেঙ্গিফেৰা |
| (ছ) প্ৰজাতি | জেপিয়েনচ্,ইণ্ডিকা |

প্ৰশ্ন ৭: বৰ্গীকৰণৰ গোটবোৰৰ সঠিক ক্ৰম চিনাক্ত কৰা ?

(ক) প্ৰজাতি — বৰ্গ — পৰ্ব — ৰাজ্য

(খ) গণ — প্ৰজাতি — বৰ্গ — ৰাজ্য

(গ) প্ৰজাতি — গণ — বৰ্গ — পৰ্ব

উত্তৰ :- (গ) প্ৰজাতি — গণ — বৰ্গ — পৰ্ব

প্ৰশ্ন ৮: নিম্নলিখিত  শব্দসমূহৰ অৰ্থ আৰু সূত্ৰ লিখা —

(ক) পৰ্ব , (খ) শ্ৰেণী , (গ) গোত্ৰ , (ঘ) বৰ্গ , (ঙ) গণ

উত্তৰ :- (ক) পৰ্ব :- প্ৰাণী আৰু উদ্ভিদ ৰাজ্যৰ অন্তৰ্গত জীৱৰ পৰস্পৰৰ মাজত কিছুমান স্পষ্ট সাদৃশ্য চাই ৰাজ্যতকৈ সৰু কিছুমান গোটত ভাগ

কৰা হয় । এনেবোৰ গোটক পৰ্ব বোলে । উদাহৰণ :- গুপ্তবীজী উদ্ভিদ সমাংগদেহী উদ্ভিদ , সন্ধীপদী , পৃষ্ঠ দণ্ডী প্ৰাণী ইত্যাদি ।

(খ) শ্ৰনী :- পৰস্পৰ সাদৃশ্য থকা এক বা একাধিক বৰ্গৰ সমষ্টিকে শ্ৰেণী বোলে ।উদাহৰণ :- একবীজপত্ৰী উদ্ভিদ , দ্বিবীজপত্ৰী উদ্ভিদ ইত্যাদি ।

(গ) গোএ :- একোটা বৰ্গৰ অন্তৰ্গত জীৱবোৰৰ পাৰস্পৰিক সাদৃশ্য চাই কিছুমান সৰু সৰু গোটত ভাগ কৰা হয় । এনেবোৰ গোটক গোএ বোলে । উদাহৰণ :- কুকুৰ , মেকুৰী (মাংসভোজ) , গৰু , ছাগলী (তৃণভোজ) ।

(ঘ) বৰ্গ :- একাধিক ওচৰ সম্বন্ধীয় গোএৰ সমন্বয়ত যি টেক্সনৰ সৃষ্টি হয় তাকেই বৰ্গ বোলে ।উদাহৰণ :- প্ৰাণীৰ ক্ষেএত কাৰ্নিভৰা বৰ্গটোৱে ফেলিডি নামৰ গোএকেইটা সাঙুৰি লয় ।

(ঙ) গণ : একোটা বংশৰ পৰা উদ্ভুত এক বা একাধিক পৰস্পৰ সম্পৰ্কযুক্ত প্ৰজাতিৰ সমষ্টিক গণ বোলে । উদাহৰণ : আলু বা বেঙেনা এই দুয়োটা প্ৰজাতি solanum নামৰ গণৰ অন্তৰ্ভুক্ত ।

প্ৰশ্ন ৯: জীৱৰ চিনাক্তকৰণ আৰু বৰ্গীকৰণৰ ক্ষেত্ৰত 'কী' বোৰে কেনেদৰে সহায় কৰে ?

উওৰ : কী বা সচাৰকাঠী হ'ল সাদৃশ্য আৰু বৈসাদৃশ্যৰ ওপৰত ভিত্তি কৰি উদ্ভিদ আৰু প্ৰাণীৰ চিনাক্তকৰণ হোৱা বৰ্গীকৰণৰ অন্য এবিধ আহিলা । দুটা বিপৰীত মুখী পছন্দৰ যিকোনো এটা বাছনি কৰোতে এই 'কী' বোৰে সহায় কৰে । ফলত নিজে নিজেই এটা বৈশিষ্ট্য গৃহীত হৈ আনটো নাকচ হয় । চিনাক্তকৰণ প্ৰক্ৰিয়াৰ বাবে বৰ্গীকৰণ 'কী' ৰ প্ৰয়োজন । বৰ্গীকৰণ 'কী' বিলাক সাধাৰণতে বিশ্লেষাণত্মক ধৰ্মী ।